بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**মক্কা বিজয়ৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা তথা ডাক্তৰ শ্বেখ মাহমুদ চাহাব শ্বহীদৰ সদগতিৰ বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৩ মে ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, যোৱা খোতবাত এজন ব্যক্তি ছালাম কৰা সত্ত্বেও এজন মুছলমানে তেওঁক হত্যা কৰাৰ বৰ্ণনা চলি আছিল; এই উদ্ধৃতিত ছুৰা নিছাৰ আয়াত পঢ়া হৈছিল য'ত উল্লেখ আছে যে যেতিয়া কোনোবাই তোমাক ছালাম জনায় তেতিয়া এইটো নক'বা যে তেওঁ মোমিন নহয়। ইয়াৰ বিস্তাৰিত বিৱৰণ এনেদৰে যে আঁহজৰত (ছঃ)য়ে এনে কৰাত কেৱল নিষেধ কৰাই নাছিল বৰঞ্চ এনে কাম কৰা সকলৰ ওপৰত বহু খং প্ৰকাশ কৰিছিল তথা নিজৰ দৃষ্টিৰ পৰা আঁতৰ কৰি দিছিল। কিছুমান বৰ্ণনা অনুযায়ী তেখেত (ছাঃ)য়ে তেওঁৰ বিৰুদ্ধে দোৱাও কৰিছে, এই ঘটনা শুনি আঁহজৰত (ছাঃ)য়ে বহুত দুখ প্ৰকাশ কৰিছিল। তেখেত (ছাঃ) য়ে এইটো ডাঙৰ অপৰাধ বুলি কৈছিল। আজিকালিৰ পাকিস্তানৰ নামধাৰী মোল্লা, ধৰ্মৰ ঠিকাদাৰ সকলে সম্ভৱত এই কথা বুজি পালেহেঁতেন তেন্তে আহমদী সকলৰ ওপৰত যি অত্যাচাৰ চলাই আছে তাৰ পৰা বিৰত থাকিলেহেঁতেন আৰু আল্লাহৰ শাস্তিৰ পৰাও ৰক্ষা পালেহেঁতেন।

এতিয়া যুদ্ধৰ বৰ্ণনাৰ পিছত মক্কা বিজয়ৰ যুদ্ধৰ কথা বৰ্ণনা কৰা হ'ব, এই যুদ্ধ ৰমজান মাহৰ ৮ হিজৰী তাৰিখত সংঘটিত হৈছিল। ইয়াক মহান বিজয় বুলিও কোৱা হয়। ইয়াৰ শুভ

সংবাদ আল্লাহ তা'লাই আগৰেই পৰাই আঁহজৰত (ছাঃ)ক দিছিল, যাৰ ফলতে লোকসকলে দলে দলে ইছলাম ধৰ্মত প্ৰৱেশ কৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে আয়াত

قُل رَّبِّ أَدْخِلْنِي مُدْخَلَ صِدْقٍ.....

ৰ আলোকত কৈছে যে এইটো সেই আয়াত যিটো প্ৰব্ৰজনৰ আগতে ছুৰা বনি ইস্রাইলত অৱতীৰ্ণ হৈছিল যতে হিজৰতৰ পিছত মক্কা বিজয়ৰ শুভ সংবাদ দিয়া হৈছিল। ছুৰা ফাতাহত মক্কা বিজয়ৰ শুভ সংবাদ এইদৰে দিয়া হৈছিল

لَقَدْ رَضِيَ اللَّهُ عَنِ الْمُؤْمِنِينَ إِذْ يُبَايِعُونَكَ تَحْتَ الشَّجَرَةِ فَعَلِمَ مَا فِي
قُلُوبِهِمْ فَأَنزَلَ السَّكِينَةَ عَلَيْهِمْ وَأَثَابَهُمْ فَتْحًا قَرِيبًا ۝١٩

(ছুৰা ফাতাহ আয়াত ১৯)

আল্লাহ তা'লা নিশ্চয় সেই মোমিন সকলৰ ওপৰত সন্তুষ্ট হৈছে যিসকলে গছৰ তলত তোমাৰ হাতত বয়াত গ্ৰহণ কৰিছিল। তেওঁলোকৰ হৃদয়ত যি আছে সেইজনাই জানে। সেয়ে খোদা তা'লা তেওঁলোকৰ ওপৰত শান্তি অৱতীৰ্ণ কৰিছে আৰু এক মহান বিজয় প্ৰদান কৰিছে।

বাস্তৱ এয়া যে যিদিনা আঁহজৰত (ছাঃ)য়ে মক্কাৰ পৰা প্ৰব্ৰজন কৰিছিল, আল্লাহ তা'লাই সেইদিনাই মক্কা বিজয়ৰ শুভ সংবাদ দিছিল। গতিকে প্ৰব্ৰজনৰ সময়ছোৱাত তলৰ আয়াত অৱতীৰ্ণ হোৱাৰ উল্লেখ পোৱা যায় যে

إِنَّ الَّذِي فَرَضَ عَلَيْكَ الْقُرْآنَ لَرَادُّكَ إِلَىٰ مَعَادٍ

(ছুৰা কাছাচ আয়াত ৮৬)

নিশ্চয় সেইজনা যিয়ে তোমাৰ ওপৰত কোৰআন অৱতীৰ্ণ কৰিছে এদিনাখন নিশ্চয় তোমাক সেই ঠাইলৈ উভতাই আনিব। ইমাম ফখৰ উদ্দিন ৰাজিয়ে কৈছে এই ঠাইত উভতি অহা ঠাই বুলিলে মক্কাক বুজোৱা হৈছে।

ছুৰা বাকাৰাৰ এটা আয়াতত আল্লাহ তা'লাই কৈছে,

وَمِنْ حَيْثُ خَرَجْتَ فَوَلِّ وَجْهَكَ شَطْرَ الْمَسْجِدِ الْحَرَامِ

এই আয়াতৰ অৰ্থ হৈছে, হে মুছলমান সকল ! তোমালোকৰ এটাই উদ্দেশ্য হোৱা উচিত যে তোমালোকে খানা কাবাক বিজয় কৰি সেইটোক ইছলামৰ কেন্দ্ৰ বনাবা, কিয়নো যেতিয়ালৈকে মক্কাত ইছলাম বিস্তাৰ নকৰিব তেতিয়ালৈকে মক্কা মুছলমান সকলৰ অধীনলৈ নাহিব আৰু আন আন আৰবৰ লোকসকল মুছলমান নহ'ব, এইটো আছিল কাৰ্যসূচী যি মুছলমান সকলৰ বাবে নিৰ্ধাৰিত আছিল।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে এজন শ্বহীদৰ বিস্তাৰিত বৰ্ণনা উল্লেখ কৰি কৈছে

যে এতিয়া মই এজন শ্বহীদৰ কথা বৰ্ণনা কৰিম। এই বৰ্ণনা মাননীয় ডাক্তৰ শ্বেখ মহম্মদ মাহমুদ চাহাব ছৰগুদা ইবনে মাননীয় শ্বেখ মুবাশ্বিৰ আহমদ চাহাব দেহলৰীৰ হয়। তেওঁক আহমদীৰ বিৰোধীয়ে ১৬ মেত গুলী চলাই শ্বহীদ কৰি দিছিল। ইন্না লিল্লাহি ওৰা ইন্না ইলায়হি ৰাজিউন।

ঘটনা ঘটাৰ দিনা ডাক্তৰ চাহাবে নামাজে জুমা পঢ়াৰ পিছত নিজৰ পৰিয়ালসহ ফাতিমা হাস্তপতাল ছৰগোধালৈ গৈ আছিল, বাটতে আগৰে পৰা এজন ব্যক্তি প্ৰস্তুতি লৈ প্ৰস্তুত হৈ আছিল। তেওঁ নিজৰ শ্বপিং বেগৰ পৰা পিস্তল উলিয়াই তেওঁৰ ওপৰত গুলী চলায়। তেওঁক তৎক্ষণাতে ছিভিল হাস্তপাতাললৈ লৈ যোৱা হয় কিন্তু গুৰুতৰভাৱে ক্ষত-বিক্ষত হোৱাৰ বাবে ডাক্তৰ চাহাবে শ্বহীদ বৰণ কৰে। ঘটনা সংঘটিত হোৱাৰ পিছত আক্ৰমণকাৰীয়ে নিজৰ অস্ত্ৰ জোকাৰি জোকাৰি নিজৰ লগৰীয়াৰ সৈতে তাৰ পৰা পলায়ন কৰে। প্ৰয়াত শ্বহীদজনৰ বয়স আছিল ৫৯ বছৰ।

প্ৰয়াত শ্বহীদৰ বংশধৰৰ মাজত আহমদীয়তৰ বীজ তেওঁৰ দাদাৰ দাদা মাননীয় বাবু এজাজ হুছেইন চাহাবৰ ভাতৃ হজৰত ছৰফৰাজ হুছেইন চাহাব দেহলৰীৰ জৰিয়তে বোৱা হৈছিল। তেওঁ হজৰত মছীহ মাওউদ (আঃ)ৰ হাতত দীক্ষা গ্ৰহণ কৰিছিল। পিছত প্ৰয়াত শ্বহীদৰ দাদাৰ দাদা মাননীয় বাবু এজাজ হুছেইন চাহাবে নিজৰ ভাতৃৰ জৰিয়তে বয়াত গ্ৰহণ কৰিছিল। প্ৰয়াত শ্বহীদজনে এফ ছি কলেজ লাহোৰৰ পৰা এফ, এছ, ছি ডিগ্ৰী অৰ্জন কৰিছিল। ইয়াৰ পিছত ৰাউলপিণ্ডি মেডিকেল কলেজৰ পৰা ১৯৯০ চনত এম,বি,বিএছ ডিগ্ৰী অৰ্জন সম্পূৰ্ণ কৰে। ইয়াৰ পিছত পঞ্জাৱ ছাৰ্ভিছ কমিশনাৰ পৰীক্ষাত উত্তীৰ্ণ হয়। ৪ বছৰ ছাৰ্ভিছ হাস্তপাতালত আৰু জিন্না হাস্তপাতালত চাকৰি কৰে। ১৯৯৮ চনত ৰায়েল কলেজ ফিজিশ্বিয়ানছৰ সদস্য হয় আৰু ২০২১ চনত ফিলোশ্বাফৰ সন্মানেৰে সন্মানিত কৰা হয়।

প্ৰয়াত শ্বহীদ ২০০১ চনত ছৰগুদালৈ বদলি হয়। তেওঁ ছৰগুদাত যকৃত আৰু পেটৰ ৰোগৰ বিশেষজ্ঞ আছিল। ২০০১ চনত ছৰগুদাত বদলি হোৱাৰ পিছত নিয়মিতভাৱে ফজলে উমৰ হাস্তপাতালত ভিজিটিং ডাক্তৰ হিচাপে সেৱা আগবঢ়াই থাকিছিল। আল্লাহ তা'লা তেওঁৰ দ্বাৰা ৰোগীক আৰোগ্য প্ৰদান কৰিছিল। সাংসাৰিক জ্ঞানৰ বাহিৰেও ধাৰ্মিক জ্ঞানও যথেষ্ট আছিল। কোৰআন কৰিমৰ ব্যাখ্যা, তাজকিৰা,ৰুহানি খাজাইন,আন আন বিভিন্ন কিতাপ আৰু বিতৰ্কিত বিষয় সন্নিবিষ্ট কিতাপ ব্যাপকভাৱে অধ্যয়ন কৰিছিল। প্ৰয়াত শ্বহীদজন নায়েব আমীৰ জিলা ছৰগুদা হিচাপে সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰিছিল। মেডিকেল এছোছিয়েশ্বন প্ৰতিষ্ঠিত হোৱাৰে পৰা ইয়াৰ সদস্য আছিল। ২০২৪ চনৰ পৰা এছোছিয়েশ্বনৰ উপ সভাপতি আছিল, এইদৰে ছৰগুধা চেফ্টাৰৰ সভাপতি আছিল। যোৱা তিনি বছৰৰ পৰা তেওঁ কেন্সাৰ ৰোগত আক্ৰান্ত আছিল। এই ৰোগত আক্ৰান্ত থকা সত্ত্বেও সদায় অইনৰ ৰোগৰ প্ৰতি বেছি গুৰুত্ব দিছিল। সদায় সেৱা কৰাৰ বাবে প্ৰস্তুত থাকিছিল। ৰোগীৰ সৈতে মৰম,সহানুভূতি আৰু আৰ্তজনৰ বিনামূলীয়া চিকিৎসা কৰিছিল। আৰ্তজন ৰোগীৰ বিনামূলীয়া চিকিৎসা কৰাৰ বাহিৰেও তেওঁলোকৰ

উভতি যোৱাৰ ভাড়া দি দিছিল, তেওঁলোকৰ কিছুমান পৰীক্ষা বিনামূলীয়াভাৱে কৰিছিল তথা আৰ্থিক সহায়ো কৰিছিল। আৰ্থিক দিশৰ পৰা দুৰ্বল ছোৱালীসকলৰ বিয়াৰ বাবে সহায় আগবঢ়াইছিল।

প্ৰয়াত শ্বহীদজনৰ মাতৃ মাননীয়া উম্মাতুল হায়ি চাহিবাই কৈছে যে প্ৰয়াতজন পিতৃ মাতৃক বৰ সন্মান কৰিছিল। শৈশৱ কালৰে পৰাই অসংখ্য বৈশিষ্ট্যৰ গৰাকী আছিল। নিজৰ কাম নিজেই কৰিছিল। খিলাফৎৰ সৈতে দৃঢ় সম্পৰ্ক আছিল। আৰ্থিক আৰু লেন-দেনৰ ক্ষেত্ৰত পৰিপূৰ্ণ হিচাব-নিকাচ ৰাখিছিল। পৰিবাৰৰ সকলো সদস্যক পাৰস্পৰিকভাৱে মিলা-প্ৰীতিৰ সৈতে ৰাখিছিল। তেওঁৰ ঘৈনীয়েক মাননীয়া উম্মাতুল নুৰ চাহিবাই কৈছে যে ল'ৰা-ছোৱালীক সদায় জামাতৰ ব্যৱস্থাপনাৰ সৈতে মিলি থকাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিছিল, নিয়মিতভাৱে খোতবা শুনিছিল আৰু ডাইৰীত নোট কৰিছিল। চান্দা আদায় কৰাৰ ক্ষেত্ৰত দৃষ্টান্তহীন আছিল। ২০২৫ চনৰ চান্দা অচিয়ত শ্বহীদ বৰণ কৰা সময়লৈকে পৰিপূৰ্ণ আদায় কৰিছিল। তেওঁৰ ছোৱালীয়ে কৈছে যে বৰ দয়ালু পিতৃ আছিল। মোৰ বিয়াৰ সময়ত মোক এই উপদেশ দিছিল যে বেটী! নিজৰ শশুৰৰ ঘৰত গৈ জামাতৰ সৈতে জড়িত থাকিবা। কেতিয়াবা যদি জামাতৰ সেৱা আগবঢ়োৱাৰ সুযোগ হয় সেয়া কেতিয়াও অস্বীকাৰ নকৰিবা।

তেওঁৰ এগৰাকী বোৱাৰীয়ে কৈছে, তেওঁ আল্লাহৰ ওপৰত বৰ নিৰ্ভৰশীল আছিল। যেতিয়াই কোনো বিষয়ৰ বাবে আবেদন কৰা হৈছিল তেতিয়া দোৱাৰ সৈতে সেই কাম আৰম্ভ কৰিছিল আৰু দোৱাৰ সৈতে শেষ কৰিছিল। তেওঁৰ ভনীয়ে কৈছে যে জামাতৰ বিৰোধীতাৰ বাবে বৰ ব্যাকুলতা অৱস্থাত জীৱন কটাইছে। ৰাতি সাৰ পাই নফল নামাজ পঢ়িছে, তাহাজ্জুদ পঢ়া নিয়মিত অভ্যাস আছিল।

ছৰগুধাৰ জিলাই আমীৰ চাহাবে কৈছে, নম্ৰ ভদ্ৰ হোৱাৰ বাহিৰেও বিনম্ৰতা আৰু ন্যায়পৰায়ণতাৰ বৈশিষ্ট্য তেওঁৰ মাজত আছিল। জামাতৰ বিষয়াসকলক বৰ সন্মান কৰিছিল। তাৰে মুবাল্লিগে কৈছে যে আমাক বৰ মৰম কৰিছিল, মানৱৰ সেৱা কৰোঁতা, দয়া কৰোঁতা, লাখ লাখ মানুহৰ মছীহা, ফিৰিস্তাৰ নিচিনা মানৱ আমাৰ পৰা নাইকিয়া হৈ পৰিল। প্ৰয়াত শ্বহীদজন দৰৱেশী জীৱন কটাইছিল। জীৱনৰ সকলো দিশতে দৃষ্টান্তহীন মানৱ আছিল।

বিৰোধীসকলে ভিৰ জিলাত তেওঁৰ বিৰুদ্ধে বিজ্ঞাপন ছপাই বিতৰণ কৰিছিল, লগতে টাৰ্গেট কৰা আহমদী লোকৰ তালিকা প্ৰস্তুত কৰিছিল তাতে ডাক্তৰ চাহাবৰ নাম আছিল শিৰোনামাত। এজন ঘোৰ বিৰোধীতা কৰা মৌলবীয়ে তেওঁলোকক হত্যা কৰাৰ ফতোৱা দিছিল, কেৱল ইমানতেই ক্ষান্ত নাছিল সেই ফতোৱা বিতৰণো কৰিছিল তথাপি প্ৰশাসনে কোনো পদক্ষেপ লোৱা নাছিল। আল্লাহ তা'লা সোনকালে তেওঁলোকক গ্ৰেপ্তাৰৰ সামগ্ৰী সৃষ্টি কৰক,কিয়নো দেশখন ৰক্ষা কৰিবলৈ হলে এতিয়া এনে লোকৰ পৰা হাতসাৰিব লাগিব। এই নামধাৰী ধাৰ্মিক লোকসকলে ধৰ্মৰ নামত উগ্ৰপন্থীৰ বাট অৱলম্বন কৰি আছে। এই লোকসকলে দেশখনক ধ্বংস কৰিবলৈ প্ৰস্তুতি লৈছে। আমাৰ অভিযোগ কেৱল আল্লাহ তা'লাৰ ওচৰত। সেই কাৰণে খোদাৰ অধিকাৰ পালন কৰাৰ

বাবে মনোযোগ দিয়া উচিত। আল্লাহ তা'লা প্ৰয়াত শ্বহীদৰ মৰ্যাদা উন্নীত কৰক,তেওঁৰ পৰিয়ালবৰ্গক ধৈৰ্য ধাৰণ কৰাৰ ক্ষমতা দান কৰক। তেওঁৰ মাতৃ বয়সীয়াল, আল্লাহ তা'লা তাইৰো দুখ কম কৰক। তেওঁৰ স্ত্ৰী আৰু ল'ৰা-ছোৱালীক আল্লাহ তা'লাই সুৰক্ষিত আৰু নিৰাপদে ৰাখক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔


ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 23 MAY 2025

**BOOK POST (PRINTED MATTER)**

TO,

.................................................................................................

.................................................................................................

.................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB